# অসম আদিত্য

২৩ চ'ত, ১৯৪৭ শক ■ মঙলবাৰ, ৭ এপ্ৰিল, ২০২৬ ■ Asom Aditya, Dibrugarh, Tuesday, April 7, 2026


## কেকেৰ নৱাগতক আদৰিলে ড° শশীকান্ত শইকীয়া

# মানৱ জীৱন সমৃদ্ধিশালীৰ বাবে শিক্ষাই একমাত্ৰ আহিলা

**ষ্টাফ ৰিপৰ্টাৰ, ৬ এপ্ৰিল ঃ** 'মানৱ জীৱন সমৃদ্ধিশালী কৰিবলৈ দৃঢ় বিশ্বাস আৰু শিক্ষাই একমাত্ৰ আহিলা।' ঐতিহ্যমণ্ডিত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ ২০২৬ (জানুৱাৰী-মাৰ্চ) শিক্ষা বৰ্ষত নামভৰ্তি কৰা শিক্ষাৰ্থীসকলৰ ৫ এপ্ৰিলত অনুষ্ঠিত চিনাকী পৰ্ব তথা আদৰণী অনুষ্ঠানত মহাবিদ্যালয়ৰ অধ্যক্ষ ড০ শশীকান্ত শইকীয়াই এইদৰে কয়। মহাবিদ্যালয়ৰ শিক্ষক জিৱণি কোঠাত অনুষ্ঠিত হোৱা অনুষ্ঠানত অধ্যক্ষাৰাকীয়ে কয়— শিক্ষা গ্ৰহণৰ কোনো নিৰ্দিষ্ট সময় নাথাকে। সেয়েহে মানুহে ইচ্ছা কৰিলে আৰু মনত দৃঢ় সংকল্প থাকিলে সকলো প্ৰকাৰৰ বাধাকে নেওচি নিজৰ জীৱনৰ লগতে সমাজখনলৈ অনবদ্য অৱদান আগবঢ়াই যাব পাৰে। তেওঁ কয়— আনুষ্ঠানিক শিক্ষাৰ লগতে অনানুষ্ঠানিক শিক্ষা তথা দূৰ শিক্ষা ব্যৱস্থাত মানৱ জীৱনৰ প্ৰয়োজনীয় সকলো শিক্ষা গ্ৰহণ কৰিব পাৰে। এই ক্ষেত্ৰত অসমৰ প্ৰথমখন মুক্ত ৰাজ্যিক বিশ্ববিদ্যালয় কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় অসমৰ শিক্ষাৰ্থীসকলৰ বাবে এক অতি গুৰুত্বপূৰ্ণ সংস্কৰণ বুলি তেওঁ মত প্ৰকাশ কৰে। ভাষণ প্ৰসংগত অধ্যক্ষ ড০ শইকীয়াই সমগ্ৰ বিশ্বৰ বিভিন্নজন প্ৰতিষ্ঠিত ৰাজনীতিবিদ, বৈজ্ঞানিক তথা উদ্যোগপতিৰ এখন তালিকা ছাত্ৰ-ছাত্ৰীসকলক অৱগত কৰি কয়— আনুষ্ঠানিক শিক্ষাৰ পৰিৱৰ্তে দূৰ শিক্ষা ব্যৱস্থাৰ জৰিয়তে শিক্ষা গ্ৰহণ কৰি বিশ্বৰ বহু প্ৰতিষ্ঠিত ৰাজনীতিবিদ, বৈজ্ঞানিক তথা উদ্যোগপতিয়ে পৰৱৰ্তী সময়ত নিজকে একো একোজন সফল ব্যক্তি হিচাপে প্ৰতিষ্ঠিত কৰিবলৈ সক্ষম হৈছিল। সেয়েহে ছাত্ৰ-ছাত্ৰীসকলক কোনো কাৰণতে দূৰ শিক্ষা ব্যৱস্থাৰ জৰিয়তে গ্ৰহণ কৰা শিক্ষাগত অৰ্হতাৰ গুণগত মানদণ্ড কম হ'ব নোৱাৰে বুলি মত প্ৰকাশ কৰি তেওঁ কয়— উপযুক্ত শিক্ষা গ্ৰহণ কৰি নিজকে প্ৰতিষ্ঠিত কৰিবলৈ কেৱল মাত্ৰ প্ৰয়োজন হয় দৃঢ় সংকল্প আৰু নিয়মানুৱৰ্তীতাৰ। কানৈ মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ সহযোগী অধ্যাপক তথা কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় কানৈ মহাবিদ্যালয় কেন্দ্ৰৰ সমন্বয়ক ড০ বিৰাজ দত্তই আঁত ধৰা অনুষ্ঠানটিত শিক্ষা কেন্দ্ৰটোৰ প্ৰাক্তন প্ৰতিষ্ঠাপক সমন্বয়ক তথা অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ ড০ আতিকুদ্দিন আহমেদ, অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ তথা প্ৰাক্তন সমন্বয়ক ড০ প্ৰিয়দেৱ গোস্বামীয়ে উপস্থিত থাকি কেন্দ্ৰটোৰ প্ৰতিষ্ঠা লগ্নৰ স্মৃতি ৰোমন্থন কৰে। অনুষ্ঠানত মহাবিদ্যালয়ৰ উপাধ্যক্ষ ড০ পাৰ্থ গাংগুলী, শৈক্ষিক পৰিষদৰ সদস্য সচিব ড০ জ্যোতিপ্ৰসাদ যুকন, আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সমন্বয়ক ড০ দিপাংকজ্যোতি গগৈ, ডিব্ৰুগড় পলিটেকনিকৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ ড০ প্ৰণৱজ্যোতি লহকৰ উপস্থিত থাকি নৱাগত ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি মননশীল বক্তব্য প্ৰদান কৰে। অনুষ্ঠানত শিক্ষা কেন্দ্ৰটোৰ লগত জড়িত বিভিন্ন বিভাগৰ শিক্ষক-শিক্ষয়িত্ৰীসকলৰ লগতে অৰ্ধ শতাধিক নৱাগত ছাত্ৰ-ছাত্ৰী উপস্থিত থাকে।

## সংখ্যালঘু ভোটাৰৰ মন জয় কৰিছে বিমল বড়াই

**বিশেষ প্ৰতিনিধি, টিংখাং, ৬ এপ্ৰিল ঃ** অসম বিধানসভা নিৰ্বাচনৰ ভোটগ্ৰহণলৈ মাজত মাত্ৰ দুটা দিন বাকী। এনে সময়তে ৯১ নং টিংখাং বিধানসভা সমষ্টিত বিজেপি-অগপ মিত্ৰজোঁটৰ প্ৰাৰ্থী তথা কেবিনেট মন্ত্ৰী বিমল বড়াৰ পক্ষত এক শক্তিশালী জনমত গঢ়ি উঠিছে। সমষ্টিটোৰ ধৰ্ম-বৰ্ণ-নিৰ্বিশেষে প্ৰতিটো জাতি-জনগোষ্ঠী আৰু ভাষা-ভাষী লোকে এইবাৰ বিমল বড়াক মুকলি সমৰ্থন আগবঢ়াইছে। টিংখাং সমষ্টিৰ বিশেষত্ব হ'ল ইয়াৰ বিচিত্ৰ জনসংখ্যা। ১ লাখ ৭৭ হাজাৰ ভোটাৰ থকা এই সমষ্টিটোত বাস কৰা প্ৰতিটো জনগোষ্ঠীয়েই এতিয়া বিমল বড়াৰ উন্নয়নৰ জয়গান গাইছে। বিশেষকৈ চাহ জনগোষ্ঠী, আহোম, সোনোৱাল কছাৰী, চুতীয়া, ভোজপুৰী , গোৰ্খা , বাঙালী সমাজৰ লোকে মন্ত্ৰীগৰাকীৰ যোৱা দহ বছৰৰ কৰ্মৰাজিক অকুণ্ঠ শলাগ লৈছে। ইয়াৰ সমান্তৰালভাৱে সমষ্টিটোত থকা সংখ্যালঘু সম্প্ৰদায়ৰ লোকসকলেও এক সুন্দৰ আৰু শান্তিৰ টিংখাং গঢ়াৰ স্বাৰ্থত বিমল বড়াৰ হাত শক্তিশালী কৰাৰ সংকল্প গ্ৰহণ কৰিছে। ৰাইজৰ মতে, বিমল বড়া কেৱল এজন বিধায়ক বা মন্ত্ৰীয়েই নহয়, তেওঁ হ'ল সমষ্টিটোৰ প্ৰতিগৰাকী ব্যক্তিৰ সুখ-দুখৰ সংগী। তেওঁৰ কোনো জাতিগত বিভেদ নোহোৱা সদিচ্ছা আৰু সকলো শ্ৰেণীৰ লোকক সমানে আগুৱাই নিয়াৰ কৰ্মদক্ষতাৰ বাবেই ৰাইজে তেওঁক এইবাৰ বিজয়ৰ মালা পিন্ধাবলৈ সাজু হৈছে। বিশেষকৈ চাহ বাগিচা অঞ্চলৰ পৰা আৰম্ভ কৰি চুকত থকা গাঁওখনলৈকে যি যাতায়াত আৰু আন্তঃগাঁথনিৰ উন্নয়ন ঘটিল, সেয়া টিংখাংবাসীৰ বাবে আছিল এক সপোন। বিমল বড়াক সমৰ্থন জনোৱা বিভিন্ন জনগোষ্ঠীৰ

## আজি থমকিব নিৰ্বাচনী

**বিশেষ প্ৰতিবেদক, ৬ এপ্ৰিল ঃ** ডিব্ৰুগড় জিলাৰ অন্তৰ্গত ৬ টাকৈ বিধানসভা সমষ্টিত ভোটগ্ৰহণৰ ক্ষণ চমু চাপি অহাৰ পৰিপ্ৰেক্ষিতত জিলা নিৰ্বাচনী বিষয়াই আজি এক গুৰুত্বপূৰ্ণ জাননী জাৰি কৰে। কাইলৈ বিয়লি ৫ বজাৰ পৰা জিলাখনৰ ৮৭ নং চাবুৱা-লাহোৱাল, ৮৮ নং ডিব্ৰুগড়, ৮৯ নং খোৱাং, ৯০ নং দুলীয়াজান, ৯১ নং টিংখাং আৰু ৯২ নং নাহৰকটীয়া সমষ্টিত ছাইলেণ্ট পিৰিয়ড আৰম্ভ হ'ব। ভোটগ্ৰহণ সমাপ্ত হোৱাৰ ৪৮ ঘণ্টা পূৰ্বৰ পৰাই এই নিৰ্দেশনা অনুসৰি কোনোধৰণৰ ৰাজহুৱা সভা, সমদল বা নিৰ্বাচনী প্ৰচাৰ চলোৱাটো সম্পূৰ্ণৰূপে নিষিদ্ধ কৰা হৈছে। কেৱল পদযাত্ৰাই নহয়, টেলিভিছন,

বাত ৰি... জৰিয়ত... ওপৰত... আনকি, ... কোনো... প্ৰভাৱাি... পৰা ... ৰাজনৈ... আন এ... ব্যক্তি ... নিৰ্বাচন... পাতি ... ৫ বজা...

## ভোটগ্ৰহণৰ দিনা সমস্যা হ'লেই পৰিস্থিতি চম্ভালিবলৈ সাজু বিশেষ প্ৰ' মডিউল

**ডিব্ৰুগড়, ৬ এপ্ৰিল ঃ** অনাগত অসম বিধানসভা নিৰ্বাচন-২০২৬ৰ পৰিপ্ৰেক্ষিতত ভাৰতীয় নিৰ্বাচন আয়োগৰ নিৰ্দেশনা অনুসৰি আজি ডিব্ৰুগড় জিলা আয়ুক্ত কাৰ্যালয়ৰ ভিডিঅ' কনফাৰেঞ্চ কক্ষত ইচিআইএনইটি এপৰ অন্তৰ্গত প্ৰ' মডিউলৰ ওপৰত এক ভিডিঅ' কনফাৰেঞ্চ অনুষ্ঠিত হয়। নিৰ্বাচনৰ দিনা মসৃণ যোগাযোগ আৰু সমস্যাসমূহৰ দ্ৰুত সমাধানৰ বাবে ব্যাপকভাৱে ব্যৱহাৰ হ'বলগীয়া এই প্ৰ' মডিউলটোৰ সৈতে পৰিচিত হ'বলৈ অনুষ্ঠিত এই সত্ৰত সাধাৰণ পৰ্যবেক্ষক টি এন ভেংকটেশ আৰু চিপাং আৰ্থাৰ বৰ্চুইয়ো উপস্থিত থাকে। ইয়াৰ পিছতে দুই সাধাৰণ পৰ্যবেক্ষকে ডিব্ৰুগড় জিলা আয়ুক্ত কাৰ্যালয়ৰ প্ৰশিক্ষণ কেন্দ্ৰত থকা নিৰ্বাচনী সামগ্ৰী শ্ৰেণী বিভাজন এলেকা পৰিদৰ্শন কৰে আৰু নিৰ্বাচনী সামগ্ৰী প্ৰেৰণ তথা ব্যৱস্থাপনাৰ বাবে কৰা ব্যৱস্থাসমূহ পৰ্যালোচনা কৰে। ইয়াৰোপৰি, সাধাৰণ পৰ্যবেক্ষক টি এন ভেংকটেশে ডিব্ৰুগড় বিধানসভা সমষ্টিৰ অন্তৰ্গত ২০৬, ২০৭ আৰু ২০৮ নম্বৰ ভোটগ্ৰহণ কেন্দ্ৰ পৰিদৰ্শন কৰি নিৰ্বাচনী প্ৰস্তুতি আৰু নিশ্চিতভাৱে উপলব্ধ ন্যূনতম সা-সুবিধাৰ তদাৰক কৰে।

ৰ্বাচনী প্ৰচা

ৰ নি



াখনা, ধেমাজি,

ত এইবাৰ

জভোগৰ

জনসভা সম্বোধন

হিলে অসম

বিজেপিৰ ঃ ব